জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

ortal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তম বছৰ, সংখ্যা ২০ ● শুকুৰবাৰ ● ৯ আহিন ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday September 26, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰ

পইণ্ট প্ৰমাণ বিচাৰিব'

## টিৰ ওপৰত লে ৰাজ্যবাসীক মুখ্যমন্ত্ৰীৰ



গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৫ ছেপ্টেম্বৰ ঃ ছিংগাপুৰত ৰহস্যজনকভাৱে মৃত্যু ঘটা অসমৰ ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যু ৰহস্য ভেদ কৰাত এছ আই টি ব্যৰ্থ হ'লে চি বি আইৰ দ্বাৰা তদন্ত কৰোৱা হ'ব। আজি এই ঘোষণা কৰিছে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শিল্পীগৰাকীৰ ক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈ ৰ সময়তে আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, মি সকলো জুবিনৰ অনুৰাগী। আমি কিছুদিন আই টিক সহযোগ কৰা ৪ পিঠিলৈ

## কানৈ মহাবিদ্যালয়ত বিশেষ বক্তৃতানুষ্ঠান

**ডিব্ৰুগড ঃ** ষ্টাফ ৰিপ'ৰ্টাৰ, ২৫ ছেপ্টেম্বৰ ঃ ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত কটনৰ পৰা দুদিনীয়া বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। 'লিপিড' শীৰ্ষক বিষয়ত অনুষ্ঠিত বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ভাস্বতী গগৈ। ভাস্বতী গগৈয়ে তেখেতৰ ভাষণ প্ৰসংগত লিপিড বায়মলিকুল্‌চৰ সংজ্ঞা, গুণাগুণ, বৈশিষ্ট্য আৰু বিভিন্ন প্ৰয়োগৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰে। লগতে তেখেতে মন্তব্য কৰে যে 'বৰ্তমান সময়ত পৰিৱৰ্তিত জীৱন শৈলীত প্ৰায় প্ৰতিজন ব্যক্তিৰ জীৱনত লিপিড মলিকুলাৰে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে প্ৰভাৱ বিস্তাৰ কৰে সেয়েহে প্ৰতিজন ব্যক্তিয়ে এই ক্ষেত্ৰত তথ্য ভিত্তিক জ্ঞানৰ জৰিয়তে নিজৰ জীৱন সুন্দৰভাৱে উদযাপন কৰিব পাৰিব।' জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ মুৰব্বী অতনু কোঁৱৰে আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উদ্বোধনী ভাষণ প্ৰদান কৰে। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক ক্ষেত্ৰখনত নতুনকৈ সংযোজিত হোৱা জৈৱ প্ৰযুক্তিবিদ্যা বিভাগটোৰ উক্ত প্ৰচেষ্টাক শলাগ লোৱাৰ লগতে অনাগত দিনসমূহত বিভাগটোৱে মহাবিদ্যালয়খনৰ উত্তৰোত্তৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানটোত মুম্বাইস্থিত অ' এন জি চিৰ ডেপুটি জেনেৰেল মেনেজাৰ ৰাতুল গগৈ, কানৈ মহাবিদ্যালয়ৰ জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ অধ্যাপক সঞ্জীৱ সন্দিকৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## শ্যামকানু মহন্তক...

*এক পিঠিৰ পৰা* গৰিমা গাৰ্গক সাক্ষাৎ কৰি গভীৰ সমবেদননা জ্ঞাপন কৰে। অভিনেতা ৰবি শৰ্মাই জুবিনক মুখ্য আকৰ্ষণ বুলি ছিংগাপুৰলৈ লৈ গৈ তাত তেওঁৰ মৃত্যু হোৱাৰ পাছতো বেলেগ নামেৰে নৰ্থ-ইষ্ট ফেষ্টিভেল শ্যামকানুৱে চলাই নিয়া কাৰ্যৰ তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয় যে কোনেও যাতে ক্ষমতাৰ দৌৰ দেখুৱাই তদন্তৰ পৰা সাৰি যাব নোৱাৰে। শিল্পী জিতুল সোণোৱালে কয় যে অসমবাসী আৰু জুবিনে ন্যায় পাব লাগিব। তেওঁ লগতে এইবুলিও কয়, 'শিল্পীক শোষণ কৰি থকা এক শক্তিশালী ছিণ্ডিকেটৰ মুখা এইবাৰ খোল খাই গ'ল।' শিল্পী সমাজে বাউন্সাৰ সিদ্ধাৰ্থ শৰ্মাৰ কঠোৰ শাস্তি দাবী কৰাৰ লগতে জুবিনৰ হত্যাৰ ন্যায় বিচাৰি এখন ডিজিটেল আৱেদন কৰাৰ কথাও উল্লেখ কৰে আৰু এই আৱেদনত স্বাক্ষৰ কৰিবলৈ অসমবাসীক আহ্বান জনায়। শিল্পী জুবলী বৰুৱাই তদন্ত কঠোৰ হোৱাৰ দাবী কৰি কয় যে তদন্ত সঠিক হ'লেই ওলাই পৰিব জুবিনৰ মৃত্যুৰ সকলো ৰহস্য। জুবিন গাৰ্গৰ আন এজন ঘনিষ্ঠ বন্ধু খগেন গগৈয়ে তদন্তই দোষীক উলিয়াব বুলি আশা প্ৰকাশ কৰে। শিল্পী সমাজে আজি ছিংগাপুৰৰ অসম এছ'চিয়েশ্যনে জুবিনৰ মৃত্যুৰ বিষয়টোত কোনো স্পষ্টীকৰণ প্ৰকাশ নকৰাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে।

■ **ৰাজ্যজুৰি আজি আছুৰ মমশিখা সমদল ঃ** অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি কাইলৈ ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰিব সদৌ অসম ছাত্ৰ সন্থাই। ছাত্ৰ সংগঠনটোৱে কাইলৈ ৰাজ্যজুৰি মমশিখা সমদলৰ আহ্বান জনাইছে। কাইলৈ সমগ্ৰ ৰাজ্যৰ প্ৰতিখন জিলাৰ সদৰ স্থানত ৰাইজৰ সহযোগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বাবে ন্যায় বিচাৰি মমবাতি জ্বলাই সমদল কৰা হ'ব। এই মমশিখা সমদলত ৰাইজে অংশগ্ৰহণ কৰি জুবিন গাৰ্গৰ বাবে শান্তিপূৰ্ণভাৱে ন্যায় বিচাৰিব। এক বিবৃতিত আজি আছুৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত ক্ষিপ্ৰ কৰাৰ লগতে দোষীক